জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৪৯/২০২০

## বিশ্ব শান্তিৰ বাবে কৃষ্ণগুৰু একনাম অখণ্ড কীৰ্ত্তনৰ লগত সংগতি ৰাখি আয়োজিত ধৰ্মালোচনী সভাত অংশ গ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে

## কৃষ্ণগুৰু মহাপ্ৰভুৱে আমাক সকলোকে জীৱন সুন্দৰ ভাবে পৰিচালিত কৰাৰ বাবে নীতি আৰু আদৰ্শ দেখুৱাই থৈ গৈছে ঃ মুখ্যমন্ত্ৰী

### সমস্যা সমাধানৰ পথ প্ৰশস্ত কৰাটো মানৱ যোগ্যতাৰ পৰিচয় ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৩ ফেব্ৰুৱাৰী ঃ** 'কৃষ্ণগুৰু মহাপ্ৰভুৱে আমাক সকলোকে জীৱন সুন্দৰ ভাবে পৰিচালিত কৰাৰ বাবে নীতি আৰু আদৰ্শ দেখুৱাই থৈ গৈছে। এই নীতি আৰু আদৰ্শ হৃদয়ংগম কৰি মানৱতাৰ বাণীৰে তথা ভক্তি দৰ্শনেৰে আমি সমাজত শান্তি প্ৰতিষ্ঠাৰ হকে দৃঢ়তাৰে আগুৱাই যাব লাগিব।' আজি বিশ্ব শান্তিৰ বাবে সাতদিনীয়াকৈ আয়োজিত কৃষ্ণগুৰু একনাম অখণ্ড কীৰ্ত্তন -২০২০ ৰ লগত সংগতি ৰাখি নসত্ৰস্থিত কৃষ্ণগুৰু সেৱাশ্ৰমত আয়োজিত ধৰ্মালোচনী সভাত মুখ্য অতিথি হিচাপে অংশ গ্ৰহণ কৰি প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

মুখ্যমন্ত্ৰী সোণোৱালে লগতে কয় যে পৰমগুৰু কৃষ্ণগুৰু ঈশ্বৰে আধ্যাত্মিকতাৰ জৰিয়তে শান্তিৰ মাৰ্গদৰ্শন সমাজৰ বাবে দি গৈছে। এই মাৰ্গ দৰ্শনৰ জৰিয়তে আমি ৰাজ্যখনৰ সৰু-বৰ সকলো জাতি-জনগোষ্ঠীৰ মাজত থকা সদ্ভাৱ আৰু সমন্বয় শক্তিশালী কৰি ৰাজ্যখনক দেশৰ ভিতৰতে শ্ৰেষ্ঠ ৰাজ্য হিচাপে পৰিগণিত কৰাৰ যাত্ৰাত অহোপুৰুষাৰ্থ কৰিব লাগিব। ভক্তি আৰু ত্যাগৰ মাজেৰে সমাজত শান্তি প্ৰতিষ্ঠাৰ জৰিয়তে আমি সৰ্বস্তৰতে সততা আৰু নিষ্ঠা অটুত ৰাখি অগ্ৰগতিৰ যাত্ৰা সূচনা কৰিব লাগিব। কৃষ্ণগুৰু মহাপ্ৰভুৰ আদৰ্শৰে উদ্বুদ্ধ হৈ সমাজৰ কুসংস্কাৰ আৰু অন্ধবিশ্বাস ইত্যাদিৰ দৰে নেতিবাচক দিশবোৰ আঁতৰ কৰি সমাজ সংস্কাৰৰ যাত্ৰাত ঐক্যবদ্ধ ভাৱে আগুৱাই যাব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। কৃষ্ণগুৰু মহাপ্ৰভুৱে আমাক দেখুৱাই থৈ গৈছে যে সমস্যা সমাধানৰ পথ প্ৰশস্ত কৰাটো মানৱ যোগ্যতাৰ পৰিচয়। এই আদৰ্শৰে আমিও পৰিচালিত হৈ জীৱনৰ বাটত বাট বুলিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। গুৰু ভক্তিত শক্তি আছে বুলি কৈ মুখ্যমন্ত্ৰীয়ে কৃষ্ণগুৰুৰ মহান বাণী সমূহ প্ৰতিগৰাকী ভকতে নিজৰ নিজৰ এলেকাত প্ৰচাৰ আৰু প্ৰসাৰৰ জৰিয়তে বিশাল মানৱ সমাজ গঢ়াৰ দিশত উৎসৰ্গিত মনোভাৱেৰে কাম কৰিব লাগিব বুলিও কয়। শান্তিৰ সন্ধানত মানৱ সমাজ উদ্বাউল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে শান্তি পাব লাগিলে ভক্তি মাৰ্গত আশ্ৰয় লোৱাটো একান্ত জৰুৰী বুলিও কয়। কৃষ্ণগুৰু মহাপ্ৰভুৱে কৰ্ম সংস্কৃতিক অধিক গুৰুত্ব প্ৰদান কৰিছিল বুলি উল্লেখ কৰি কঠোৰ পৰিশ্ৰম আৰু সাধনাৰে যে জীৱনত উজলি উঠিব পাৰি কৃষ্ণগুৰু সেৱাশ্ৰম ইয়াৰ উজ্বল নিদৰ্শন বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে উঠি অহা চামক কৃষ্ণগুৰুৰ ভক্তি মাৰ্গেৰে নিজৰ নৈতিক চৰিত্ৰ সবল কৰি ভৱিষ্যতৰ সুনাগৰিক হিচাপে ৰাজ্য তথা দেশলৈ অৰ্থৱহ অৰিহণা আগবঢ়োৱাৰ দিশত উদ্বুদ্ধ হ'বলৈও আহ্বান জনায়। জ্ঞানে শক্তি বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে উঠি অহা চাম বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলক

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in

শিক্ষাৰ প্ৰতি ধাউতি বৃদ্ধি কৰাৰ দিশত পিতৃ-মাতৃ আৰু শিক্ষাগুৰু এই দুই মহাশক্তিয়ে সৰ্বদা অনুপ্ৰাণিত কৰিব লাগিব বুলিও কয়। শান্তি, সম্প্ৰীতি, ভাতৃত্ববোধ আৰু বন্ধুত্বৰ বাণীৰে অসমক আগুৱাই নিয়াৰ বাবে বৰ্তমানৰ চৰকাৰে দৃঢ় পদক্ষেপ লৈছে আৰু গুৰু জনাৰ বাণী আৰু আশীৰ্বাদেৰে অসমক শক্তিশালী ৰূপ প্ৰদানৰ যাত্ৰাত বৰ্তমানৰ চৰকাৰখন সফল হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

আজিৰ এই অনুষ্ঠানত লাহোৱাল বিধান সভা সমষ্টিৰ বিধায়ক ঋতুপৰ্ণ বৰুৱা আৰু দুলীয়াজান নুমলীগড় পাইপ লাইন লিমিটেডৰ অধ্যক্ষ ৰূপম গোস্বামীয়েও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত প্ৰেমানন্দ প্ৰভু, ভক্তি মাতৃ আই হিচাপে পৰিচিত কুন্তলা পাটোৱাৰী গোস্বামী, কৃষ্ণগুৰু আন্তঃৰাষ্ট্ৰীয় পৰিচালনা সমিতিৰ সাধাৰণ সম্পাদক ক্ৰমে ৰামগোপাল ভাগৱতী আৰু বংশীধৰ তালুকদাৰ, কৃষ্ণ গুৰু আধ্যাত্মিক বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° তৰুণ চন্দ্ৰ বৰা, কৃষ্ণগুৰু সেৱা শ্ৰমৰ অধিকাৰ শৈলেন বড়ো, কৃষ্ণগুৰু আন্তঃৰাষ্ট্ৰীয় পৰিচালনা সমিতিৰ প্ৰচাৰ বিভাগৰ সম্পাদক কৃপাল দাস, জি এম ডি এৰ উপাধ্যক্ষা মুকুতা ডেকাকে ধৰি বহু সংখ্যক গণ্য-মান্য ব্যক্তিৰ লগতে ধৰ্মপ্ৰাণ ৰাইজ উপস্থিত থাকে।

**বঃভাঃ / পুঃডেঃ**
**৩/০২/২০২০**